# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 24-06-2025
**Time :** 18-45 Hrs

***Assamese EVENING Bulletin***
***::::::::::::::::::::::::::::::***

১।	গোৱালপাৰা জিলাৰ হাহিলা, উৰপদ আৰু কুমৰি বিলক সংৰক্ষিত বনাঞ্চল হিচাপে গঢ়ি তোলাৰ বাবে ৰাজ্য চৰকাৰৰ পৰিকল্পনা।

২।	জাতিংগা আৰু লামপুৰৰ মাজৰ ৰে’লপথত হোৱা ভূমিস্খলনৰ বাবে লামডিং আৰু শিলচৰৰ মাজত সকলো ধৰণৰ ৰে’লসেৱা যোৱা নিশাৰে পৰা বাতিল।

৩।	অ’ এন জি চিক পৰিবেশ আইন ভংগ কৰাৰ বাবে প্ৰদূষণ নিয়ন্ত্ৰণ বোৰ্ডৰ কাৰণ দৰ্শোৱাৰ জাননী জাৰি।

৪।	শক্তিপীঠ কামাখ্যা মন্দিৰত অম্বুবাচী মহাযোগৰ আজি তৃতীয় দিনাও উখল-মাখল পৰিৱেশ অব্যাহত ।
*আৰু*

৫।	হেডিংলী টেষ্টত ইংলেণ্ডৰ অপেনাৰদ্বয়ৰ দৃঢ় বেটিং।

০০০০

ৰাজ্য চৰকাৰে গোৱালপাৰা জিলাৰ জৈৱ বৈচিত্ৰ্যৰ ভাণ্ডাৰ হাহিলা, উৰপদ আৰু কুমৰি বিলক সংৰক্ষিত বনাঞ্চল হিচাপে গঢ়ি তোলাৰ উপৰি পৰ্যটন ক্ষেত্ৰ হিচাপে ৰূপায়ণৰ পৰিকল্পনা গ্ৰহণ কৰিছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি শেহতীয়াকৈ দখলকাৰীক উচ্ছেদ কৰা হাহিলা বিল পৰিদৰ্শন কৰি সাংবাদিকৰ আগত এইদৰে কয়। ড০ শৰ্মাই গোৱালপাৰা জিলাৰ জৈৱ বৈচিত্ৰ্যৰ ক্ষেত্ৰত এই বিলকেইখনৰ অপৰিসীম গুৰুত্বত আলোকপাত কৰে। হাহিলা বিলৰ এটা বৃহৎ এলেকা প্ৰস্তাৱিত সংৰক্ষিত বনাঞ্চল হিচাপে ঘোষণা কৰাৰ বাবে অলপতে অসম মন্ত্ৰীসভাই সিদ্ধান্ত গ্ৰহণ কৰিছিল। সেই অনুসৰি হাহিলা বিলৰ লগতে উৰপদ আৰু কুমৰি বিলৰ গুৰুত্বৰ কথা অনুধাৱন কৰি এই বিলসমূহৰ পুনৰুজ্জীৱিতকৰণৰ দিশত চৰকাৰে মনোনিৱেশ কৰিছে। ইতিমধ্যে বিলকেইখনৰ কিছু অংশ বনাঞ্চললৈ ৰূপান্তৰৰ প্ৰাৰম্ভিক কাম আৰম্ভ হৈছে বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে।

**বাইট-১ (চি এম)**

মুখ্যমন্ত্ৰী শৰ্মাই ৰাক্ষসিনী সংৰক্ষিত বনাঞ্চলত উচ্ছেদৰ বিষয়টোও আলোচনা কৰি থকা হৈছে বুলি জানিবলৈ দিয়ে। তেওঁ লগতে উচ্ছেদিত পৰিয়ালসমূহক ক্ষতিপূৰণৰ ব্যৱস্থা কৰা হ’ব বুলি প্ৰকাশ কৰে।

মুখ্যমন্ত্ৰীগৰাকীয়ে ইয়াৰ পাছত ধুবুৰী জিলাত শেহতীয়া আইন-শৃংখলা পৰিস্থিতিৰ বুজ লোৱাৰ বাবে আৰর্ত ভৱনত এখন পৰ্যালোচনা বৈঠকত মিলিত হয়। বৈঠকত ধুবুৰী চহৰৰ সমীপত সেনাৰ স্থায়ী শিবিৰ স্থাপনৰ পৰিকল্পনা সন্দৰ্ভতো আলোচনা কৰা হয়। ড০ শৰ্মাই ধুবুৰীলৈ পুনৰ স্বাভাৱিক পৰিৱেশ ঘূৰি আহিছে আৰু জিলাখনত স্থায়ী শান্তি আৰু সুৰক্ষা সুনিশ্চিত কৰাৰ বাবে প্ৰশাসনে সকলোবোৰ দিশ নিৰীক্ষণত ৰাখিছে বুলি মন্তব্য কৰে।

**বাইট-২ (চি এম)**

০০০০০

উত্তৰ-পূব সীমান্ত ৰে'লৱেৰ অধীনস্থ জাতিংগা আৰু লামপুৰৰ মাজৰ এঠাইত ৰে'লপথত হোৱা প্ৰবল ভূমিস্খলনৰ বাবে লামডিং আৰু শিলচৰৰ মাজত সকলোধৰণৰ ৰে'লসেৱা যোৱানিশাৰে পৰা বাতিল কৰা হৈছে। উত্তৰ-পূব সীমান্ত ৰে'লৱেই জনোৱা মতে ১৫৬১৫ গুৱাহাটী শিলচৰ এক্সপ্ৰেছ, ১৫৬১১ আৰু ১৫৬১২ ৰঙিয়া-শিলচৰ এক্সপ্ৰেছ, ১৫৬১৭ আৰু ১৫৬১৮ দুৰ্লভছৰা গুৱাহাটী এক্সপ্ৰেছ, নাহৰলগুন-শিলচৰ এক্সপ্ৰেছ, কাঞ্চনজংঘা এক্সপ্ৰেছ্‌, সৰলাপল্লী এক্সপ্ৰেছ্‌, ৰে'লগাড়ীকেইখনৰ যাত্ৰা লামডিং আৰু শিলচৰৰ মাজত বাতিল কৰা হৈছে। ইয়াৰ উপৰিও আগৰতলা আৰু কলকাতাৰ মাজত চলাচল কৰা গৰীৱৰথ এক্সপ্ৰেছখন গুৱাহাটী আৰু কলকাতাৰ মাজতহে চলাচল কৰিব। সেইদৰে আগৰতলা আৰু আনন্দবিহাৰৰ মাজত চলাচল কৰা তেজছ এক্সপ্ৰেছ, শিয়ালদহ আৰু শিলচৰৰ মাজত চলাচলা কৰা কাঞ্চনজংঘা এক্সপ্ৰেছৰো গন্তব্য ষ্টেচনৰ সালসলনি ঘটোৱা হৈছে। আমাৰ হোজাইৰ সংবাদদাতাই জনোৱা মতে ভালেসংখ্যক ৰে'লগাড়ী বাতিল হোৱাৰ ফলত লামডিং জংচনত বৰাক উপত্যকা আৰু ডিমা হাচাওলৈ যাবলগীয়া যাত্ৰীসকলৰ যথেষ্ট ভিৰ দেখা গৈছে।

০০০০

ডিমা হাচাও জিলাৰ অন্তৰ্গত ২৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ জাগিংগা আৰু লাম্পু খণ্ডত হোৱা প্ৰবল ভূমিস্খলনৰ বাবে হাফলং আৰু শিলচৰৰ মাজত যান-বাহনৰ চলাচল বন্ধ কৰা হৈছে। জিলা আয়ুক্ত তথা জিলা দুৰ্যোগ ব্যৱস্থাপনা কৰ্তৃপক্ষৰ অধ্যক্ষ সীমান্ত কুমাৰ দাসে দুৰ্যোগ ব্যৱস্থাপনা আইনৰ সংশ্লিষ্ট ধাৰাৰ অধীনত জাৰি কৰা এটা নিৰ্দেশত কোৱা হৈছে যে পথছোৱাৰ পৰা শিল, বালি আৰু আৱৰ্জনা আঁতৰোৱা আৰু যাত্ৰী আৰু যান-বাহনৰ সুৰক্ষাৰ প্ৰতি লক্ষ্য ৰাখি এই নিৰ্দেশ জাৰি কৰা হৈছে। এই পথেৰে চলাচল কৰা সকলো যান-বাহন আৰু যাত্ৰীকে যাত্ৰা বাতিল কৰিবলৈ পৰামৰ্শ দিয়া হৈছে। একেটা নিৰ্দেশযোগে জিলা আয়ুক্তগৰাকীয়ে ৰাষ্ট্ৰীয় ঘাইপথ কৰ্তৃপক্ষ আৰু ৰে'ল কৰ্তৃপক্ষক ভূমিস্খলনৰ তীব্ৰতা হ্ৰাস কৰা আৰু আন দুৰ্ঘটনা প্ৰতিৰোধক ব্যৱস্থাৱলী সম্পৰ্কত কাৰিকৰী বিশেষজ্ঞ নিযুক্ত কৰিবলৈকো নিৰ্দেশ দিয়ে।

০০০০

শ্ৰোতাসকলে আমাৰ এই বাতৰি আকাশবাণী গুৱাহাটীৰ মিডিয়াম ৱেভৰ ৪১১ দশমিক ৫, ২৮৯ দশমিক ৯ মিটাৰ, এফ এম বেণ্ডৰ ১০০ দশমিক ৮ আৰু ১০১ দশমিক ৬ মেগাহাৰ্টজৰ লগতে **ফে'চবুক পেজ-এ আই আৰ নিউজ গুৱাহাটী** আৰু **ইউটিউব চেনেল এ আই আৰ নিউজ গুৱাহাটী যোগে লাইভ ষ্ট্ৰিমিঙতো** শুনিছে। এই বাতৰি আমাৰ ইউটিউব চেনেল আৰু নিউজ অন এয়াৰ এপতো শুনিব পাৰে। শ্ৰোতাসকলে শেহতীয়া বা-

বাতৰিৰ বাবে **এক্স হেণ্ডেলত-এয়াৰ নিউজ_জি এইছ ৰাই** আৰু **ইনষ্টাগ্ৰামত এয়াৰ নিউজ_গুৱাহাটী** ফ'ল' কৰিব পাৰে।

০০০০

প্ৰদূষণ নিয়ন্ত্ৰণ বোৰ্ডে তেল আৰু প্ৰাকৃতিক গেছ লিমিটেড চমুকৈ অ' এন জি চিক পৰিবেশ আইন ভংগ কৰাৰ বাবে কাৰণ দৰ্শোৱাৰ জাননী জাৰি কৰিছে। অ' এন জি চিৰ খননক্ষেত্ৰত প্ৰয়োজনীয় অনুমতি নোলোৱাকৈ খনন কাৰ্য আৰম্ভ কৰাৰ বাবে হোৱা অনিয়ন্ত্ৰিত গেছ নিৰ্গমন অভিযোগত বোৰ্ডে এই জাননী জাৰি কৰিছে। পৰিবেশ নিয়ন্ত্ৰণ বোৰ্ডে জাৰি কৰা এটা নিৰ্দেশত উল্লেখ থকা মতে, অ' এন জি চিয়ে পানী সংৰক্ষণ আৰু প্ৰদূষণ নিয়ন্ত্ৰণ আইন ১৯৭৪ বায়ু সংৰক্ষণ আৰু প্ৰদূষণ নিয়ন্ত্ৰণ আইন ১৯৮১ আৰু বিপদজনক তথা আন বিষাক্ত পেলনীয়া সামগ্ৰী নিষ্কাষণ নীতি ২০১৬ ক ভংগ কৰাৰ অভিযোগত ১৫ দিনৰ ভিতৰত কাৰণ দৰ্শোৱাৰ জাননী জাৰি কৰিছে।

০০০০

শিৱসাগৰৰ ৰুদ্ৰসাগৰ তৈলক্ষেত্ৰৰ ভটিয়াপাৰত থকা ১৪৭ নম্বৰ তৈলখাদটোৰ পৰা হোৱা গেছ নিৰ্গমন অহা দুই-এদিনৰ ভিতৰতে সম্পূৰ্ণকৈ নিয়ন্ত্ৰিত হোৱাৰ আশা কৰা গৈছে। তিনিগৰাকী মাৰ্কিন তৈলখাদ বিশেষজ্ঞ – কেনেট ৰাইট, ৰবাৰ্ট মেলানকন আৰু উইলিয়াম মেকড'নাল্ডৰ তত্বাৱধানত গেছ নিৰ্গমন বন্ধ কৰিবলৈ চলাই থকা অভিযান আজিও অব্যাহত আছে। গেছ নিৰ্গমনৰ উৎস বন্ধ কৰাৰ বাবে গুৱাহাটীৰ পৰা নিয়া বুম ক্ৰেন অৰ্থাৎ দীঘলীয়া ক্ৰেনখনকো কামত লগোৱা হৈছে। আমাৰ আগৰ বাতৰিতেই কোৱা হৈছে যে গেছ নিৰ্গমনৰ পৰিমাণ হ্ৰাস পোৱাৰ পৰিপ্ৰেক্ষিতত কৰ্তৃপক্ষই ঘটনাস্থলীৰ ৫০০ মিটাৰ ব্যাসাৰ্ধৰ বাহিৰৰ অঞ্চলত ঘৰুৱা ৰন্ধন কাৰ্য চলোৱাৰ অনুমতি দিছে। কালি বিয়লি ঘটনাস্থলী পৰিদৰ্শন কৰা মন্ত্ৰী যোগেন মহন, প্ৰদেশ বিজেপিৰ উপ-সভাপতি তপন গগৈ আৰু সাংসদ কামাখ্যা প্ৰসাদ তাছাৰ নেতৃত্বৰ সঁজাতি দলটোৱে স্থানীয় ৰাইজৰ সৈতে মত বিনিময় কৰি তেওঁলোকক আশ্বস্ত কৰাৰ প্ৰয়াস চলায়। আমাৰ শিৱসাগৰৰ সংবাদদাতা মুজাহিদ আলীয়ে জনোৱা মতে ঘটনাস্থলীত বৰ্তমান শব্দ প্ৰদূষণ যথেষ্ট হ্ৰাস পাইছে আৰু বৰযুণো এৰাত গেছ নিৰ্গমন প্ৰতিৰোধ ব্যৱস্থা অধিক গতিশীল হৈছে।

০০০০

ডিব্ৰুগড় জিলাত তৃতীয় পৰ্যায়ৰ অৰুনোদয় আঁচনিৰ সফল ৰূপায়ন নিশ্চিত কৰাৰ বাবে ৰাজ্যৰ মন্ত্ৰী প্ৰশান্ত ফুকন আৰু জিলা আয়ুক্ত বিক্ৰম কৈৰীৰ উপস্থিতিত আজি জিলা পৰ্যায়ৰ নিৰীক্ষণ সমিতিৰ বৈঠক অনুষ্ঠিত হয়। উল্লেখযোগ্য যে, এই আঁচনিৰ সফল ৰূপায়ণৰ বাবে প্ৰত্যেক জিলাতে একোখনকৈ জিলা পৰ্যায়ৰ নিৰীক্ষণ সমিতি গঠন কৰা হৈছে। আজিৰ সভাত ডিব্ৰুগড় জিলাত তৃতীয় পৰ্যায়ৰ হিতাধিকাৰীৰ তালিকা সন্দৰ্ভত পুংখানুপুংখভাৱে আলোচনা কৰা হয়। ডিব্ৰুগড় জিলাৰ অভিভাৱক মন্ত্ৰী যোগেন মহন আৰু লাহোৱাল বিধানসভা সমষ্টিৰ বিধায়ক বিনোদ হাজৰিকা ভিডিঅ' কনফাৰেন্সযোগে এই বৈঠকত অংশগ্ৰহণ কৰে।

ইপিনে, মন্ত্ৰী প্ৰশান্ত ফুকন, দুলিয়াজানৰ বিধায়ক তেৰশ গোৱালা আৰু ডিব্ৰুগড় জিলা আয়ুক্ত বিক্ৰম কৈৰীৰ উপস্থিতিত মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা আঁচনি-গ্ৰামীনৰ বাবে ডিব্ৰুগড় জিলাত আত্মসহায়ক গোটৰ মহিলা সদস্যসকলৰ পৰা লাভকৰা আবেদনসমূহৰ চূড়ান্ত পৰীক্ষণৰ পাছত অনুমোদন জনোৱা হয়। অনুমোদিত

সদস্যসকলক আঁচনিযোগে ১০ হাজাৰ টকাকৈ প্ৰাৰম্ভিক মূলদন প্ৰদানৰ ব্যৱস্থা কৰা হ'ব বুলি মন্ত্ৰীগৰাকীয়ে সাংবাদিকক জানিবলৈ দিয়ে।

০০০০

উত্তৰ-পূৰ সীমান্ত ৰে'লৰে মিজোৰামৰ ৰাজধানী আইজলক সংযোগ কৰা ভৈৰবী-চাইৰাং ৰে'লপথছোৱাৰ সুৰংগসমূহ মিজো সংস্কৃতি, ঐতিহ্য, নৃত্য আৰু জনজীৱন প্ৰতিফলিত কৰা চিত্ৰৰে সজাই তুলিছে। মুঠ ৫ হাজাৰ ২১ কোটি ৪৫ লাখ টকা ব্যয়সাপেক্ষ এই ৰে'লপথছোৱাক ৰে'লগাড়ী চলাচলৰ উপযোগী বুলি যোৱা ১০ জুনত উত্তৰ-পূৰ সীমান্ত ৰেলৱেৰ সুৰক্ষা আয়ুক্তই নিশ্চিতি দিয়াৰ পাছত এতিয়া সমগ্ৰ ৰে'লপথছোৱাৰ সৌন্দৰ্য বৰ্ধনৰ কাম চলি আছে। অহা কেইদিনমানৰ ভিতৰতে এই ৰে'লপথেৰে নিয়মীয়া গাড়ী চলাচল আৰম্ভ হোৱাৰ সম্ভাৱনা আছে বুলি আমাৰ আইজলৰ সংবাদদাতাই জনাইছে।

০০০০

অৰুণাচল প্ৰদেশ, গোৱা, মিজোৰাম আৰু কেন্দ্ৰীয় শাসিত অঞ্চল কেদাৰৰ জ্যেষ্ঠ আই পি এছ্ বিষয়া শাৰদ আগৰৱালক মিজোৰামৰ নতুন আৰক্ষী সঞ্চালক প্ৰধানৰূপে নিযুক্তি দিয়া হৈছে। ১৯৯৭ চনৰ ভাৰতীয় আৰক্ষী সেৱাৰ বিষয়া শ্ৰীআগৰৱালে ইয়াৰ পূৰ্বে দিল্লী পুলিচৰ অৰ্থনৈতিক অপৰাধ শাখাৰ বিশেষ আয়ুক্তৰূপে কাৰ্যনিৰ্বাহ কৰি আছিল। শ্ৰীআগৰৱালে বৰ্তমানৰ সঞ্চালক প্ৰধান অনিল শুক্লাৰ পৰা কাৰ্যভাৰ গ্ৰহণ কৰিব।

০০০০

ডিব্ৰুগড় লোকসভা সমষ্টিৰ অধীনৰ টিপামত আহোমৰ প্ৰথম অস্থায়ী ৰাজধানী ঐতিহ্য সংৰক্ষণৰ উদ্দেশ্যে গঢ়ি তোলা ক্ষেত্ৰত নিৰ্মাণ কৰিবলৈ লোৱা বৰ অসমৰ ভেটি গঢ়োতা চাওলুং চুকাফাৰ এটা ৫০ ফুট ওখ প্ৰতিমূৰ্তি নিৰ্মাণ কৰিবলৈ লোৱা হৈছে। স্থানীয় বিধায়ক তৰংগ গগৈয়ে আজি এই মুৰ্তিৰ নিৰ্মাণকাৰ্যৰ অগ্ৰগতিৰ বুজ লয়। বিধায়কগৰাকীয়ে কয়, যে এই মূৰ্তিৰ নিৰ্মাণকাৰ্য অতি কম সময়ৰ ভিতৰত সম্পূৰ্ণ হৈ উঠিব আৰু অসমলৈ পৰ্যটকৰ আগমন বৃদ্ধি কৰাত সহায়ক হ'ব।

০০০০

গুৱাহাটীৰ নীলাচল পাহাৰত অৱস্থিত শক্তিপীঠ কামাখ্যা মন্দিৰত অম্বুবাচী মহাযোগৰ আজি তৃতীয় দিনাও উখল-মাখল পৰিৱেশ অব্যাহত আছে। সাধু-সন্ন্যাসী আৰু দেশী-বিদেশী হাজাৰ বিজাৰ ভক্তৰ উপস্থিতিত মন্দিৰস্থলীত আধ্যাত্মিক পৰিৱেশে বিৰাজ কৰিছে। আজিও পুৱাৰ পৰা সন্ধিয়ালৈ অগণন ভক্তই পদব্ৰজে মন্দিৰৰ পৰিক্ৰমা কৰে। অৱশ্যে পূৰ্বৰ তুলনাত এইবাৰ অম্বুবাচী মহাযোগত মেলাসদৃশ পৰিৱেশ বাৰণ কৰাত ভক্তৰ সংখ্যা পূৰ্বতকৈ কম হোৱা বুলি জনায়।

মহাযোগৰ সময়ছোৱাত যাতে ভক্তসকলে কোনোধৰণৰ অসুবিধাৰ সন্মুখীন নহয় তাৰ বাবে আৰক্ষী-প্ৰশাসনৰ শীৰ্ষ বিষয়াসকলে পৰিস্থিতি তদাৰক কৰি আছে। ২৬ জুনৰ পুৱা নিবৃত্তিৰ লগে লগে দেৱীস্নান, নিত্য পূজা সমাপনৰ পাছত মন্দিৰৰ মূল দুৱাৰ ভক্তৰ বাবে পুনৰ মুকলি কৰা হ'ব।

০০০০

২০২৩ চনৰ কাছাৰ জিলাৰ অৰুণাচল আৰক্ষী থানাৰ অন্তৰ্গত বালিঘাট অঞ্চলত এগৰাকী নাবালিকাক যৌন নিৰ্যাতন চলোৱাৰ অপৰাধত আজি কাছাৰৰ অতিৰিক্ত পকছ্' ন্যায়াধীশৰ আদালতে প্ৰদীপ কুমাৰ দত্ত নামৰ এজন লোকক পাঁচ বছৰৰ সশ্ৰম কাৰাদণ্ড আৰু ২১ হাজাৰ টকাৰ জৰিমনাৰে দণ্ডিত কৰে। আমাৰ

শিলচৰৰ সংবাদদাতাই জনোৱা মতে ২০২৩ চনৰ ৮ ফেব্ৰুৱাৰীত বালিঘাটৰ দাস কলনি এলেকাত প্ৰাক্তন সেনা জোৱান ৫৯ বছৰীয়া প্ৰদীপ কুমাৰ দত্তই ঘৰত কোনো নথকাৰ সুযোগ লৈ নাবালিকাগৰাকীৰ গৃহত প্ৰৱেশ কৰি তেওঁৰ ওপৰত যৌন নিৰ্যাতন চলায়। অতিৰিক্ত পকছ' ন্যায়াধীশ নাৰায়ণ কৈৰীৰ আদালতে বিচাৰ প্ৰক্ৰিয়া সম্পন্ন কৰি ভাৰতীয় দণ্ডবিধিৰ ৩৭৬, ৪৪৮ আৰু পকছ' আইনৰ ৬ আৰু ১০ নম্বৰ ধাৰাৰ অধীনত অভিযুক্ত দত্তক দোষী সাব্যস্ত এই শাস্তিৰ বিধান দিয়ে।

০০০০

গুৱাহাটী উচ্চ ন্যায়ালয়ে শিশু সৰবৰাহ সম্পৰ্কীয় গোচৰৰ বিচাৰ প্ৰক্ৰিয়া ছমাহৰ ভিতৰত সম্পূৰ্ণ কৰিবলৈ নিৰ্দেশ জাৰি কৰিছে। উচ্চতম ন্যায়ালয়ৰ নিৰ্দেশৰ আধাৰত উচ্চ ন্যায়ালয়ে জাৰি কৰা নিৰ্দেশ অনুসৰি অসম, নাগালেণ্ড, মিজোৰাম আৰু অৰুণাচল প্ৰদেশৰ বিভিন্ন আদালতত চলি থকা শিশু সৰবৰাহ সম্পৰ্কীয় গোচৰৰ বিচাৰ প্ৰক্ৰিয়া নিৰ্দিষ্ট সময়ৰ ভিতৰত সম্পূৰ্ণ কৰিব লাগিব।

০০০০

হেডিংলী টেষ্টত ইংলেণ্ডৰ অপেনাৰদ্বয়ৰ দৃঢ় বেটিঙেৰে ঘৰুৱা দলটো জয়ৰ কঠিন লক্ষ্যৰ ফালে ধাৱমান হৈছে। আজি খেলখনৰ পঞ্চম তথা অন্তিম দিনা ইংলেণ্ডে কালি কোনো উইকেট নেহেৰুৱাকৈ সংগ্ৰহ কৰা ২১ ৰানৰ পৰা খেলিবলৈ লৈ ভোজন বিৰতিৰ পৰলৈকে কোনো উইকেটৰ পতন নঘটাকৈ দ্বিতীয় ইনিংছত ১২০ ৰান সংগ্ৰহ কৰে। ভোজন বিৰতিৰ পিছত খেল পুনৰ আৰম্ভ হৈছে আৰু বেন ডাকেটে ৯৫ ৰান আৰু জেক ক্ৰলীয়ে ৫৭ কৰি খেলি আছে। ইংলেণ্ডে বাতৰি যুগুতোৱাৰ সময়লৈকে কোনো উইকেট নেহেৰুৱাকৈ ১৬৫ ৰান কৰিছে। প্ৰথম ইনিংছত উজ্জীৱিত বলিং প্ৰদৰ্শন কৰা যশপ্ৰীত বুমৰাইও এই দুজন বেটছমেনৰ ওপৰত বিশেষ প্ৰভাৱ বিস্তাৰ কৰিব পৰা নাই। খেলখনৰ পঞ্চম দিনৰ আধাতকৈ বেছি সময় বাকী থকা অৱস্থাত ভাৰতৰ বিৰুদ্ধে জয়লাভ কৰিবলৈ আটাইকেইটা উইকেট হাতত থকা অৱস্থাত ইংলেণ্ডক ২০৬ ৰানৰ প্ৰয়োজন আছে।

০০০০

সমাপ্ত